# গ্রন্থ সমালোচনা



# 'মোৰো এটা সপোন আছে'..

বহল চাংমনৰ কাষতে দীঘল টেবুলমন। চাৰিটা খুঁটা পুতি বাঁহেৰে বনোৱা টেবুলমন আচলতে এমন চাংহে। টেবুলৰ ওপৰত নিৰ্দিষ্ট স্থানত থাকে কিতাপ-পত্ৰ। আৰু না আমি সকলোৱে টেবুলৰ সন্মুখত অঙ্কিয়া জুৰোঁ। আমাৰ ভাঙ্কিয়াবোৰ এনেদৰেই আৰম্ভ হয়। দীঘল বাঁহৰ টেবুলমনত একেটা চাকিৰ পোহৰতে আমি পঢ়োঁ। আমি যিমান পাৰি যিমান জোৰেৰে চিঞৰি পঢ়োঁ। কেতিয়াবা দেউতাই ভুমুকি মাৰি চায়, কেতিয়াবা মায়ে। আমি যে মনপুতি পঢ়োঁ সেয়াও নহয়।

মই যি ঠাইত, যি পৰিয়ালত জন্ম লৈছিলোঁ, সেই ঠাইত আধুনিক জ্ঞান-বিজ্ঞান সভ্যতাৰ শিক্ষা লোৱাৰ সপোন দেখাটো প্ৰায় অবাস্তৱৰ দৰে আছিল। মোৰ জন্ম হৈছিল অসম-অৰুণাচল সীমান্তৰ কৈলাসপুৰৰ টঙনো ন-গাঁও নামৰ গাঁৱত। মানুহে আমাৰ গাঁওমন বেতনি গাঁও বুলিছিল।

আধুনিক জ্ঞান-বিজ্ঞান সভ্যতাৰ শিক্ষা লোৱাটো এমন গাঁৱত অবাস্তৱ কথা নহয়নে? এয়া হৈছে গ্ৰন্থমনৰ এক চমু আলোচনা। গ্ৰন্থ কি? এই বিষয়ে নিশ্চয় পাঠকৰ মনত কৌতূহল জন্মিছে। গ্ৰন্থমন হৈছে ড° ৰংবুল মাউৰ 'মোৰ এটা সপোন আছে'। পাঠকৰ সমালোচকৰ মতে, 'মোৰ এটা সপোন আছে' উপন্যাসমন 'সৰল ভাষাৰে পৰিপুষ্ট এক বিৰল সৃষ্টি'। এইমন লেখকৰ আত্মজীৱনীমূলক এমন গ্ৰন্থ। এই উপন্যাসমনৰ চৰিত্ৰসমূহ হৈছে লেখক ড° ৰংবুল মাউত, তেখেতৰ পিতৃ-মাতৃ, কণ-মন, বেনুধৰ বৰতা, ককাইদেউ, বাইদেউ, আইতা, পেহী, ইন্দ্ৰ ছাৰ, অংক ছাৰ, অতুল দা, প্ৰিয়দা, মানেশ্বৰ বৰতা, দুৰ্গেশ্বৰ দাদাইদেউ, ড° চাকৰী, ড° ৰাও, ড° শৰ্মা, ড° ৰায়, শশাংক দা, ড° গৌতম চাকৰী, ইন্দ্ৰিতা পাল, ধ্ৰুৱক বাজেলী, ড° বৰলণ, ড° কোলমোৰ, বেয়মণ্ড বেভেল, ডোঃ গ্ৰিষ্টফাৰ, আলি, ড° ষ্টোনিক্স।

গ্ৰন্থমনৰ কাহিনীটো চমুকৈ এনেধৰণৰ। গ্ৰীষ্মকালৰ দিন অঙ্কিয়া ৰেডিঅ'ত ছয় বাজি পঞ্চাল্লিশ মিনিটৰ আঞ্চলিক বাতৰি ঘোষণা কৰিলে- কাইলৈ মেট্ৰিকৰ ৰিজাল্ট দিব। জুলাই মাহৰ দহ তাৰিখৰ দিনৰ এঘাৰ বজাত। বুকুৰ ধপধপনি বাঢ়িল। পুৰা ছয়মান বজাতে আৰি চাউলৰ ভাত কেইটামান খাই ৰিজাল্ট আনিবলৈ বুলি মই কাকপথাৰলৈ ওলালোঁ। সেই সময়ত কৈলাসপুৰৰ পৰা ফাষ্ট ডিভিজন পোৱাটো আলমিৰাকত চোৱাতে সেই সময়ত কৈলাসপুৰৰ পৰা ফাষ্ট ডিভিজন পোৱাটো আকাশৰ চন্দ্ৰ পোৱাৰ দৰে কঠিন আছিল। ৰিজাল্ট ওলাল। নটিছ বৰ্ডমন চোৱাৰ পদকপোৱাৰ দৰে কঠিন আছিল। মই মোৰ নম্বৰটো বিচাৰিলোঁ। হঠাৎ মোৰ কেইবা বাৰো চোৱাৰ পিছতো মই মোৰ নম্বৰটো নেদেখিলো। হঠাৎ মোৰ চকু বৰ্ডমনৰ একেবাৰে ওপৰৰ বাওঁফালে গ'ল। তিনিটা নম্বৰ লিখা আছিল- ফাষ্ট ডিভিজন....; ০৩২০। মোৰ ৰোল নম্বৰ আছিল - ০৩২০।

মই মোৰ মগজুৰ নিভৃত কোণত এক সপোন দেখিবলৈ লৈছিলোঁ- এমন কষ্টহীন মনোৰম পৃথিৱী। মেট্ৰিক পাছেই আছিল মোৰ এই সপোন বাস্তৱ হোৱাৰ প্ৰথমটো খোজ। মোৰ ভাগ্য, জীৱনৰ দিশ পৰিৱৰ্তন কৰি দি গৈছিল এই দিনটোৱে। চিৰ দিনৰ বাবে। জীৱনত এটা নতুন সপোনে পোখা মেলিবলৈ ধৰিলে।

চেনাইবাস হায়াৰ চেকেণ্ডাৰীত নাম লগোৱা স্থিৰ হ'ল। আৰম্ভ হ'ল মোৰ জীৱনৰ নতুন এটা অধ্যায়। ফিজিক্স- কেমিষ্ট্ৰী বিষয়ত মোৰ বেছ দখল আছিল। মই হায়াৰ চেকেণ্ডাৰী পঢ়ি থকা সময়ত ঘৰৰ আৰ্থিক অৱস্থা একেবাৰে বেয়া হৈ পৰিছিল। মাৰৰ বাবে এজাঁজে খেতৰ ভেতৰ হৈছিল। খুব কষ্টৰে মাজেৰে হায়াৰ চেকেণ্ডাৰী পাছ কৰিলোঁ। যদিও মেট্ৰিকৰ দৰে ৰিজাল্ট ভাল হোৱা নাছিল। কিতাপ কিনিবলৈ পইচাৰ অভাৱ হোৱাৰ বাবে এবাৰ কলেজৰ ভিতৰে বিভিন্ন অনৈতিক কামত লিপ্ত হৈছিলোঁ। কলেজে কাম কৰা ফেক্টৰীৰ পৰা ম্যাণ্ডেলত এলুমিনিয়ামৰ পাত মোৰ হাতেৰে সৰবৰাহ কৰি আটাইছিল

হায়াৰ চেকেণ্ডাৰী পাছ কৰিয়েই কেমিষ্ট্ৰীত অনাৰ্ছ লৈ ডিগ্ৰী পঢ়াৰ সিদ্ধান্ত ল'লোঁ। লাইব্ৰেৰীৰ অফ্ এ কটন আৰু জেফাৰি উইলকিনচনৰ প্ৰিন্সিপল অৱ ইনৰগেনিক কেমিষ্ট্ৰী আই এল ফিনাৰৰ অৰগেনিক কেমিষ্ট্ৰী, জেৰি মাৰ্চৰ ৰিয়েকচন মেকানিজম ইত্যাদি কিতাপবোৰে হঠাৎ মোক আংগ্নামৰ পৃথিৱীৰ পৰা আঁতৰাই অণু- পৰমাণুৰ এমন ৰহস্যময় পৃথিৱীলৈ লৈ গৈছিল। এই কিতাপকেইখন নপঢ়ালেকে মোৰ জীৱনৰ লক্ষ্য বুলিবলৈ একো নাছিল; ডিগ্ৰী পাছ কৰি স্কুল এখনত মাষ্টৰী চাকৰি এটা পালেও হ'ব। এই কিতাপকেইখনৰ জ্ঞানকে খোঁট হিচাপে লৈ মই বিজ্ঞানৰ বহল পৃথিৱীত ভৰি দিছিলোঁ।

মগজুত প্ৰশ্নবোৰৰ বাবে গৱেষণা কৰিবলৈ আমেৰিকালৈ যোৱাৰ সপোন এটাই উকমুকাই থাকিবলৈ ধৰিলে। নতুন বিষয় আছিল স্পেকট্ৰস্কপি। মই- উঠি পৰি স্পেকট্ৰস্কপি পঢ়িবলৈ ধৰিলোঁ- বেনৱেল আৰু চান্দৰ কিতাপ। আমেৰিকাৰ পৰা ভাৰতলৈ আহি মুম্বাইৰ টাটা ইনষ্টিটিউট অৱ ফাণ্ডামেণ্টেল ৰিচাৰ্চত মোৰ তত্ত্বাৱধানত 'মাচ স্পেকট্ৰ'মেট্ৰি চেণ্টাৰ ফৰ প্ৰটিয়মিক্স' নামৰ নতুন চেণ্টাৰ এটা গঢ়ি উঠিছিল। ডিগ্ৰীৰ তৃতীয় বছৰৰ ৰিজাল্ট অনুমান কৰাৰ দৰেই ভাল। ৰিজাল্টেই আছিল নতুন প্ৰতিশ্ৰুতি।

মাষ্টাৰ্চ ডিগ্ৰী পঢ়িম বুলি কোৱাত ঘৰৰ মানুহে পঢ়া বাদ

দিবৰ বাবে উপদেশ দিলে। ইতিমধ্যে ঘৰৰ আৰ্থিক অৱস্থা অতি শোচনীয় হৈ পৰিছে। ঘৰৰ মাটি কেইবিঘাও বন্ধকত গ'ল। মাৰ্চি হৈ পৰিছে। ঘৰৰ আৰ্থিক অৱস্থা আৰু বেছি তললৈ নামি গৈছিল যে এনেকুৱা অৱস্থা আগেয়ে হোৱা নাছিল। মোক পঢ়াৰ খৰচ দিবৰ বাবে ঘৰত দেউতাই চুলাইৰ ব্যৱসায় আৰম্ভ কৰিছিল যিয়ে দেউতাৰ শৰীৰক চুলাইৰ ব্যৱসায় কৰি বেছি ক্ষতি কৰিলে। মই 'নেট' টেকনল-জীৰ লেবৰেটৰী এটাত পি এইচ ডি কৰিবলৈ সুবিধা পালো। মায়ে ক'লে-'পঢ়িবলৈ যাব খুজি যাবি, আমি হকা বাধা নিদিওঁ, কিন্তু আমাৰ পৰা এক পইচাও নাপাবি। নাপাবি মানে নাপাৱ, ক'ব পৰা দিম।' মইয়ো এইবাৰ ঘৰত পইচাৰ বাবে ধৰা নাই। পুনৰ ফেল'শ্বিপ পোৱা টকাৰে মই চলিব লাগিব। দৰিদ্ৰ পৰিয়ালত জন্ম লোৱাজনকলৰ প্ৰথম দায়িত্ব হ'ল ঘৰৰ অৱস্থা ঠিক কৰা। ঘৰত মোৰ ওপৰত বিশ্বাস নাইকিয়া হৈছিল যে মই চাকৰি কৰিম। মা-দেউতাই বাৰে-বাৰে কৈছিল বোপাই-বন্ধকত থকা মাটিখিনি মুলি দে, আমাক বেলেগ একো নালাগে।

এদিন নিউজ কাকত এখনত এক বিজ্ঞাপন এটি পাই দেশৰ অগ্ৰণী গৱেষণা প্ৰতিষ্ঠান টাটা ইনষ্টিটিউট অৱ ফাণ্ডামেণ্টেল ৰিচাৰ্চত ছায়েন্টিফিক অফিচাৰৰ বাবে আবেদন কৰিলোঁ। আশা কৰা নাছিলো যদিও এদিন ই-মেইলৰ যোগেদি খবৰ আহিল মই বাছনি হৈছো। জীৱনৰ ভাগ্যই আন এটা মুৰ ল'লে। খবৰ পাই ঘৰত উমল-মামল লাগিল, নালাগিবনো কিয় কিমান দিনৰ আশা এটা পূৰ হৈছে। ইণ্টাৰভিউ দিবলৈ যাওঁতে মোক সুধিছিল পি এইচ ডি এৰি কিয় আহিছা বুলি মোৰ উত্তৰ এটাই মই ঘৰৰ দায়িত্ব লব খোজো। চাকৰিটো পালোঁ। টি আই এফ আৰত যোগ কৰিয়ে ঘৰলৈ বুলি এখন চিঠি লিখিলোঁ যিখনত মই মুখামুখিকৈবা টেলিফোনত ক'ব নোৱাৰা আবেগিক কথাবোৰ লিখিছিলোঁ। প্ৰথম মাহৰে দৰমহাৰে ঘৰকৈ প্ৰয়োজন হোৱা বাবে মবাইল এটা কিনিলোঁ। মানী অৰ্ডাৰৰ যোগেদি ঘৰলৈ হাতত থকা টকা দুহেজাৰ পঠিয়াই দিলোঁ। মোৰ মনৰ ইমানে আনন্দ লাগিছিল যে দুচকুৰে হৰহৰকৈ চকুলো বাগৰিছিল। এই সন্তুষ্টি মই জীৱনত দুবাৰ পোৱা নাই।

এনেদৰেই মোৰ বিজ্ঞান চৰ্চাৰ গৱেষণা চলি থাকিল। ছায়েন্টিফি-ক অফিচাৰ হিচাপে মই যোগ দিয়া বিভাগটো আছিল ডিপাৰ্টমেণ্ট অৱ বায়'লজিকেল ছায়েন্স অৰ্থাৎ ডি বি এছ। মোৰ গৱেষণাৰ বিষয় হ'ব প্লাচমডিয়াম অণুজীৱবিধে কেনেকৈ তেজৰ কোষৰ ভিতৰলৈ প্ৰৱেশ কৰে তাক জ্ঞান লাভ কৰা, যাতে ভৱিষ্যতে সেই জ্ঞানেৰে নতুন

মেলেৰিয়া প্ৰতিষেধক বা ঔষধ উদ্ভাৱন কৰিব পাৰি। নতুন উদ্যম আৰু প্ৰতিশ্ৰুতিৰে মই গৱেষণা আৰম্ভ কৰিলোঁ। ধৰমনৰ ভাৰবোৰ দূৰ কৰিব পাৰিছোঁ আৰু বিজ্ঞানৰ ৰহস্যময় পৃথিৱীসমূহত খোজ দিব লৈছোঁ। উদ্ভাৱনাৰ অন্য এখন পৃথিৱীলৈ ক্ৰমশঃ অগ্ৰসৰ হৈছোঁ। ড° জাৰুৱী মই যোগ দিয়া বিভাগটোৰ প্ৰধান আছিল তেওঁ বৰ দয়ালু মানুহ আছিল। এওঁৰ বাবেই আমেৰিকালৈ যোৱাৰ সুযোগ লাভ কৰিলোঁ। এনেদৰেই মোৰ মুম্বাইত গৱেষণাৰ কাম চলি থাকিল। ঘৰৰ অৱস্থাও যথেষ্ট ভাল হ'ল। বন্ধকত থোৱা মাটিমানি মুকলি হ'ল। দেউতাহঁতৰ মেৰুৱা বিশ্বাসখিনি ঘূৰি আহিল।

মুম্বাই এৰি আমেৰিকালৈ যাবলৈ ওলালোঁ। মাচাচুছেটচ বিশ্ববিদ্যালয় এমহাৰ্ষ্ট চহৰৰ প্ৰাণকেন্দ্ৰ। চমুকৈ ইউমাচ। ইয়াতে মোৰ ডিপাৰ্টমেণ্ট আছিল ডিপাৰ্টমেণ্ট অৱ কেমিষ্ট্ৰি। অনেক পঢ়োৱা, পঢ়া আৰু গৱেষণা কৰা দৈনিক কাম। গৱেষণাৰ মূল কাম হ'ল প্ৰ'টিন অণু ইঞ্জিনীয়াৰ কৰি, খুব সূক্ষ্ম সূক্ষ্ম ন্যান' প্ৰযুক্তিৰ যোগেদি এই অণুবোৰক কোষৰ ভিতৰলৈ প্ৰেৰণ কৰা।

আমেৰিকালৈ অহাৰ তেৰ বছৰ পিছত প্ৰথম ঘৰলৈ গ'লো। আমাৰ নতুন ঘৰখনো হ'লো। ঘৰৰ পৰা আহি পুনৰ লেবৰেটৰীত গৱেষণা কৰিবলৈ ধৰিলোঁ। উদ্ভাৱনৰ এই ৰোমাঞ্চকৰ পৃথিৱীখনত মচগুল হৈ থাকোঁতেই এদিন খবৰ পালোঁ যে দেউতাৰ হাত দুখন বৰকৈ কঁপিছে। বেমাৰটো দেউতাৰ পুৰণি। মই সৰুৰে আগত দেখি অহা দেউতাৰ লগত এতিয়াৰ দেউতাৰ কোনো সাদৃশ্য নাই। মোৰ 'জিন এডিটিং'ৰ গৱেষণাৰ কেইপাক সময়তে ঘৰলৈ যোৱাৰ সিদ্ধান্ত ল'লো। ডাক্তৰক দেখুৱালো কিন্তু ভাল নহ'ল। দেউতাৰ অসুখৰ বিষয়ে মই জানিছিলো। তেওঁৰ আয়ুস আৰু কিমানদিন তাকো জানিছিলোঁ কিন্তু মই কওঁ কেনেকৈ। শোকে খুন্দা মাৰি ধৰিছিল। দেউতাই নানা সংঘাতৰ মাজেদি মোক দুহাতেৰে ওপৰলৈ তুলি তুলি দিছিল, যাতে উৰিব পাৰো। মই উৰি গ'লো মোৰ উৰণ চাই চাই দেউতা ভাগৰি গ'ল আৰু এইমাত্ৰে সন্তানৰ উৰণ চাই গৌৰৱান্বিত হোৱা দেউতাজন এই পৃথিৱীৰ পৰা আঁতৰি গ'ল। ভিতৰখন যেন তেনেই শূন্য হৈ পৰিল।

দুদিনৰ পিছতে ঘৰলৈ গ'লো। শ্ৰাদ্ধৰ দিনা বাৰিষালিটো চাফা কৰিবলৈ গ'লোঁ। আৰি-মাটি থোৱাৰ পাছত দেউতাৰ ফটোত চাকি এগছ জ্বলালোঁ। হঠাৎ শোকে খুন্দা মাৰি ধৰিলে। দেউতাৰ মৃত্যুৰ বেলাই সেৱা কৰিলো। মোৰ অপোন পূৰ কৰিবৰ বাবে দেউতাই পিছত মই প্ৰথম কান্দিছোঁ।

যিমান পাৰি আৰ- জাৰৰ যোগান ধৰিছিল। কেতিয়াবা যদি ভিক্ষা মাগিছে, কেতিয়াবা ধাৰলৈ। কত কৃচ্ছ্ৰসাধনা তথা দুৰ্যোগৰ সময়তো অপোন সেই আঁতিতল সৰি দিয়া নাছিল। বিশ্বৰ এমন আগশাৰীৰ বিশ্ববিদ্যালয়ত বিজ্ঞানৰ গৱেষণাৰ বাবে উপযুক্ত কৰি তোলাত তেওঁৰ ভূমিকা অপৰিসীম।

অপোন প্ৰত্যেকৰেই আছে। ওপৰ-তলাতলে শীৰ্ণ ৰুবা আমাৰ সমাজৰ কোটি কোটি মানৱৰ স্পন্দন অপোনবোৰ যেন মোৰ কাণত আহি প্ৰতিধ্বনিত হৈলাহি। বুকুত থুপুতে পুহি ৰখা জীয়া অপোনবোৰৰ সৰাকীয়ে লোক যেন বিচিয়াই কৈছিল- মোৰো এটা অপোন আছে।

এনুমনত অংকা চৰিত্ৰকেইটা যিকোনো পাঠকৰ বাবেই আপোন যেন লাগিব। এনুমনৰ চৰিত্ৰৰ তোমাই গলে অনুভৱ কৰিব পাৰি কেনেকৈ প্ৰতিবন্ধকতাৰ মাজতো মানুহে অপোন পূৰণ কৰিব পাৰে। মানুহে অপোন দেখিব লাগে। এনুমনত দায়িত্ব, কৰ্তব্য আদি সুন্দৰকৈ প্ৰকাশ পাইছে। উপন্যাসখনৰ মাজেৰে মানুহৰ আবেগ অনুভূতিক এনেদৰে প্ৰকাশ কৰিছে যে, সেইবোৰে হৃদয়ত চুই যায়। ৰঞ্জুল মাউতৰ জীৱন কাহিনীয়ে মানুহক আগবাঢ়ি যাবলৈ শিকাইছে। সংঘাতৰ মাজতো মানুহে সফল হ'ব পাৰে।

-- ৰশ্মী বড়া
চতুৰ্থ ষাণ্মাসিক

# চলচ্চিত্র

# সমালোচনা



# টুৱেলভ ফেইল

চলচ্চিত্ৰ হৈছে সাহিত্য আৰু সংস্কৃতিৰ এক এৰাব নোৱাৰা অংগ। প্ৰত্যেক চলচ্চিত্ৰই সমাজ তথা সংস্কৃতিৰ বিভিন্ন দিশৰ লগতেই ব্যক্তিৰ চিন্তা-ধাৰাৰ ওপৰতো বিশেষভাৱে দিশ প্ৰতিফলন কৰে। চলচ্চিত্ৰ নিৰ্মাণৰ মূল ভেটি হৈছে সমাজ জীৱন আৰু সংস্কৃতিৰ নানা দিশ। চলচ্চিত্ৰৰ জৰিয়তে ব্যক্তি তথা সমাজৰ কোনো এক সময়ক জীৱন্ত ৰূপ দিয়া হয়।

ভাৰতীয় হিন্দী ভাষাত ৰচিত চলচ্চিত্ৰ সমূহৰ ভিতৰত অন্যতম এখন নাট্য চলচ্চিত্ৰ হৈছে অনুৰাগ পাঠকৰ দ্বাৰা ৰচিত টুৱেলভ ফেইল। এই চলচ্চিত্ৰখন মনোজ কুমাৰ শৰ্মাৰ বাস্তৱ জীৱনৰ ওপৰত অনুৰাগ পাঠকে ২০১৯ চনৰ উপন্যাসৰ আধাৰত নিৰ্মাণ কৰা হৈছে। চৰম দৰিদ্ৰতা আৰু সমস্যাৰ সন্মুখীন হৈ কেনেদৰে ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া হোৱা শৰ্মাৰ কাহিনীটোৰ বিষয়ে ছবিখনত সুন্দৰভাৱে চিহ্নিত কৰা হৈছে। এই ছবিখনত থকা প্ৰত্যেকটো চৰিত্ৰই এটা নিৰ্দিষ্ট ভূমিকা পালন কৰিছে। যিকেইটাৰ অবিহনে হয়তো এই ছবিখনে চলচ্চিত্ৰ জগতত আটাইতকৈ বেছি বঁটা প্ৰাপ্ত ছবি হিচাপে প্ৰতিফলিত হ'ব নোৱাৰিলে হয়।

ডকাইত আক্ৰান্ত আৰু দৰিদ্ৰতাৰে ভৰি থকা ভাৰতৰ চম্বল নামৰ অঞ্চলত জন্ম গ্ৰহণ কৰা

মনোজ কুমাৰ শৰ্মা এজন কেৰাণীৰ পুত্ৰ আছিল। মনোজ কুমাৰ শৰ্মাই পঢ়া বিদ্যালয়খনত অধ্যয়ন কৰা সকলো ছাত্ৰ-ছাত্ৰী নকলৰ জোৰত পৰীক্ষাসমূহত উত্তীৰ্ণ হৈছিল। ঠিক তেনেদৰে দ্বাদশ শ্ৰেণীৰ পৰীক্ষা বাবে মনোজ আৰু তাৰ সহপাঠী সকলেও দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ বাবে নকল প্ৰস্তুত কৰিছিল। কিন্তু নতুনকৈ সলনি হোৱা আৰক্ষী বিষয়া ডি এছ পি দুষ্যন্ত সিং বিদ্যালয়ত উপস্থিত হৈ নকল কৰা বন্ধ কৰি দিয়াৰ ফলত তাৰ লগতে বিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত অৱতীৰ্ণ হৈ পৰে। এয়াই আছিল মনোজৰ উন্নতিৰ প্ৰথমটো মোড়। দুষ্যন্ত সিং এ মনোজক ভালদৰে চিনি পোৱা নাছিল যদিও তাৰ সৰল মনটোক দুষ্যন্ত সিঙে চিনিব পাৰি তাক এটা উপদেশ দিলে যে তেওঁৰ দৰে আৰক্ষী বিষয়া হʼবলৈ হʼলে নকল কৰা বন্ধ কৰিব লাগিব। তেওঁৰ আদেশ অনুসৰিয়েই এবছৰৰ পিছত মনোজ দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত নকল নকৰাকৈয়ে উত্তীৰ্ণ হৈছিল। তাৰ প্ৰথম মোড় টোৰ বাট দেখুৱাই দিয়া প্ৰথম ব্যক্তি জনেই হʼল দুষ্যন্ত সিং। তাৰ পিছতেই সি ডি এছ পি বিষয়া হোৱা লক্ষ্যৰে বি.এ. পঢ়িবলৈ লয়।

গোৱালিয়ৰত পঢ়িবলৈ ওলোৱা সময়ত আইতাকে সঞ্চয় কৰা সকলোখিনি ধন তাক দিছিল যদিও বাছত টো থাকোঁতে সি বাটতেই ধনখিনি হেৰুৱাই পেলাইছিল। তাৰ পিছতেই সি গম পাইছিল যে চৰকাৰে এমপি পি এছ.চিৰ গ্ৰুপ ১ ৰ পৰীক্ষা তিনি বছৰৰ বাবে বন্ধ কৰাৰ সিদ্ধান্ত লʼলে। তেতিয়াই তাৰ আৰক্ষী বিষয়া হোৱা সপোন ধ্বংস হৈ পৰিল। সি দেখা সপোনটো

চকুৰ আগত ধ্বংস হৈ পৰাত সি অজ্ঞান হৈ অনাই-বনাই ৰাস্তাত ঘূৰি ফুৰা দেখি ৰাস্তাৰ ৰেল ষ্টেচনৰ কাষতে থকা হোটেলৰ মালিকজনে তাক মাৰলৈ বুলি কিবা এটা দিছিল। তাতে সি পি এচ্ চি পৰীক্ষাৰ বাবে পঢ়িবলৈ অহা প্ৰীতম পাণ্ডেক লগ পায়। পাণ্ডেৰ দেউতাকে তাক জোৰ কৰি দিল্লীত ইউ পি এচ্ চি পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাবলৈ কয়।

প্ৰীতমৰ পৰা সি ইউ.পি.এচ্.চি বিষয়ে ভালদৰে জানি আই.পি.এচ্. অফিচাৰ হ'বলৈ বুলি প্ৰীতমৰ সৈতে দিল্লীলৈ যায়। তাত মনোজে গৌৰী ভাইয়াক লগ পায়। যিয়ে মনোজক কাম আৰু পঢ়া-শুনাৰ যোগান ধৰে। প্ৰথমবাৰৰ প্ৰাৰম্ভিক পৰীক্ষাত যি ফেইল কৰে যদিও সি গৌৰীৰ সহায়ত পুনৰ আৱিৰ্ভাৱ হয়। সি কোচিং চেণ্টাৰ সমূহত ভ্ৰমণ কৰি থাকোঁতে শ্ৰদ্ধা যোশীক লগ পায় আৰু তাই প্ৰেমত পৰে। তাইও মনোজক ইচপি এ চি পৰীক্ষাৰ বাবে কষ্টতো সহায় কৰিছিল। সি এইবাৰ মূল পৰীক্ষাত ব্যৰ্থ হৈ পৰে আৰু সি হতাশ হৈ ঘৰলৈ গৈ গম পায় যে তাৰ আইতাকৰ মৃত্যু হৈছে। সি পুনৰ পৰীক্ষাত উত্তীৰ্ণ হ'বলৈ বুলি সংকল্পবদ্ধ হৈ দিল্লীলৈ উভতি যায়। অৱশেষত সি মূল পৰীক্ষাত উত্তীৰ্ণ হয় আৰু আনহাতে শ্ৰদ্ধাইও ইউ বি পি এচ্. চি পৰীক্ষা ক্লিয়াৰ কৰে। সাক্ষাৎকাৰৰ ৰাউণ্ডৰ সময়ত যি প্ৰতিটো প্ৰশ্নৰ উত্তৰ সততাৰে দিয়ে। দুমাহৰ পিছত মনোজে আই পি এচ্ বিষয়া হোৱাৰ ৰেংক যোগ্যতা অৰ্জন কৰি ফলাফল ঘোষণা কৰা হয়। এবছৰৰ পিছত আই পি এচ্ বিষয়া হোৱা মনোজে মন্দৌৰ আৰক্ষী থানাত ডি.

এছ পি দুষ্যন্ত সিংক সাক্ষাৎ কৰি তাক উৎসাহিত কৰাৰ বাবে ধন্যবাদ জনায়। অৱশেষত মনোজে শ্ৰদ্ধাক বিয়া কৰায়।

২০২৩ চনৰ ২৭ অক্টোবৰ পৰিচয় ছবি গৃহত মুক্তি পোৱা টুৱেলভ্থ ফেইলে সমালোচক সকলৰ পৰা ভূয়সী প্ৰশংসা লাভ কৰে আৰু বাণিজ্যিকভাৱেও সফল হয়। ২০ কোটি বাজেটত নিৰ্মিত ছবিখন বিশ্বজুৰি ৬৬ কোটিতকৈ অধিক উপাৰ্জন কৰে।

- নীলাক্ষী বৰুৱা
দ্বিতীয় ষাণ্মাসিক

# প্রাসংগিক গদ্যশিল্প

# চৌষষ্ঠি কলাত্মক ভাওনা সংস্কৃতি

এই বিনন্দীয়া পৃথিৱীৰ দৃশ্যমান বা অদৃশ্য কোনো ভাৱাত্মক ৰূপ শিল্পীৰ অন্তৰ্নিহিত ভাৱ, অনুভূতি আৰু কল্পনাৰ যি সুন্দৰ, সুনিপুণ আৰু নান্দনিক ৰূপত আত্মপ্ৰকাশিত হোৱাকেই কলা বা শিল্প বোলে। কলা বিশ্বজনীন আৰু আবেগপূৰ্ণ, কলাই ন সাজেৰে সকলোকে প্ৰজ্ঞাদীপ্ত কৰি তোলে। বিশ্ববিখ্যাত দাৰ্শনিক এলবাৰ্ট আইনষ্টাইন আৰু ৰবীন্দ্ৰনাথ ঠাকুৰে কলা সম্পৰ্কীয় ইংৰাজী ভাষাত সংজ্ঞা আগবঢ়াইছে — *Albert Einstein True art is characterized by an irresistible urge in the creative artist.*

*Rabindranath Tagore - What is Art? is the response of man's creatives soul to the call of the Real.*

প্ৰাচীন ভাৰতীয় সংস্কৃত সাহিত্যৰ ৬৪ বিধ কলাৰ বিষয়ে পোৱা যায়। সুকুমাৰ কলা হ'ল মানুহৰ মনৰ সৌন্দৰ্যবোধ আৰু আবেগ প্ৰকাশ কৰা সৃষ্টিশীল কলা। যাৰ মূল উদ্দেশ্য আনন্দ প্ৰদান কৰা। সেয়েহে সুকুমাৰ কলাৰ প্ৰয়োজন হৈছে। কলাই মানুহৰ মনত এক বিশেষ আলোড়নৰ সৃষ্টি কৰে। এই কলাৰ জৰিয়তে চাক্ষুস

আৰু স্মৰণীয় দিশোৰে শিল্পীয়ে নিজ অনুভূতি নান্দনিকভাৱে উপস্থাপন কৰে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ সৰ্বজনমান্য কলাবিদ। তেওঁৰ একাধাৰে নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক, সমাজ সংগঠক, গায়ক, নৰ্তক, অভিনেতা, কবি, চিত্ৰকৰ আছিল। শংকৰদেৱ অসমীয়া জাতি সাহিত্য সংস্কৃতি নিৰ্মাতা। নৱবৈষ্ণৱ আন্দোলনৰ দ্বাৰা প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে থান, নামঘৰ, সত্ৰানুষ্ঠান প্ৰভৃতি প্ৰতিষ্ঠা কৰিছিল। পৰৱৰ্তী কালত গুৰুজনাই গীত, বাদ্য, নৃত্য আৰু নাট্যৰ সৃষ্টি কৰি পাৰৰ যোজা লোকসকলক আকৰ্ষিত কৰি দৈনন্দিন সমাজৰ লগত মিল থকাকৈ নাট ৰচনা কৰে। সেইবাবে ১৯ বছৰ বয়সতেই ১৩৯০ শকত বৈকুণ্ঠৰ চিত্ৰপট অংকন কৰি বাককদ্ধ "চিহ্নযাত্ৰা" ভাওনা পৰিবেশন কৰে। সাহিত্য, সংগীত, কলা, ভাস্কৰ্যৰ ৬৪ বিধ কলা ব্যৱহাৰ কৰি সৃষ্টি কৰিলে ব্ৰজাৱলী ভাষাৰ অংকীয়া নাট। গুৰুজনাৰ ৬খন অংকীয়া নাট, মাধৱদেৱৰ ৬খন অংকীয়া ঝুমুৰা আৰু পৰৱৰ্তী পৰ্যায়ত প্ৰধানকৈ অসমতে বৰ্তমানৰ আউনীআটি সত্ৰত ৰচিত হোৱা প্ৰকাশ মাতৃভাষা নাটক বৰ্তমানৰ মাতৃভাষা নাটসমূহত ৬৪ কলা সংযোজিত হৈছে।

অনাসৰী চহা গাৱলীয়া সমাজত গুৰুজনাই ভাওনা সংস্কৃতিৰ মাধ্যমেৰে ভক্তিৰসৰ স্ৰোত বোৱাই-ছিল। সেয়েহে ভাওনা সবাহ বুলি কʼলেই প্ৰতিজনৰ মন উৰ্বৰ পৰা সূৰ্বলৈ শিপাইছিল অপাৰ আনন্দৰ সমাজলৈ দি যোৱা এই যুগান্ত-স্ৰোত। গুৰুজনাই ৫০০ বছৰ যুৰি অম্লান ঐতিহ্যকাৰী অৱদান ৰূপত অসমীয়া সমাজ জীৱনত ৰূপো ঘাউতিযুগীয়া গুৰুজনাৰ সংগীত, সাহিত্য, জেউতি চৰাই আছে।

নৃত্য, চিত্ৰৰ আৰু ভাস্কৰ্য এই পঞ্চকলা সৰ্বজাৰ লক্ষ্যই আছিল ঈশ্বৰ প্ৰাপ্তি। ভাওনা অসমীয়া সংস্কৃতিৰ গৌৰৱময় স্বৰ্ণসৌধ।

- ৰাণীপ্ৰিয়া বৰুৱা
দ্বিতীয় ষাণ্মাসিক

## কৌতুক

○ শিক্ষক : কোনে ক'ব পাৰিবা কোনোবোন, এনে এবিধ বস্তু আছে যাক কেৱল চাব পাৰি ধৰিব নোৱাৰি।

মধু : চাৰ কথবলৈ বেয়া লাগিছে।

শিক্ষক : বেয়া লাগিবলৈ কি আছে?

মধু : চাৰ আপোনাৰ কাণমন।

# কার্টুন


হে প্ৰভু
এই মানুহজনে
কিমান যে মিছা
কথা কব পাৰে কেৱল
ভগৱানেহে জানে....
মই
মুখ্যমন্ত্ৰী হৈ
থকালৈকে অসমত
কেতিয়াও মিঞাৰ
শান্তি নাই

# নীলা খামৰ চিঠি

মৰমৰ ....

আশা কৰোঁ আপুনি ভালেই আছে । বহুত আগৰেই পৰা ৰৈ আছিলোঁ আপোনাক কিছু-মান কথা কবলৈ । কিন্তু নোৱাৰিলোঁ । সেইবাবে আজি হাতত কলমটো তুলি লৈছোঁ আপোনাক কম বুলি ভবা সকলো কথা এখন উকা কাগজত লিখি আপোনাৰ হাতত যাচি দিম বুলি । বৰ আগ্ৰহ আৰু মৰমেৰে লিখিছোঁ যদি পাৰে তেন্তে অকণ-মান সময় উলিয়াই পঢ়িব বুলি আশা ৰাখিছোঁ । মুখেৰে ব্যক্ত কৰিব নোৱাৰা হৃদয়ৰ অনুভৱ কিছু-মান এই চিঠিৰ জৰিয়তেই আপোনাৰ ওচৰত পঠাইছোঁ ।

আৰম্ভণি কেনেদৰে কৰিম একো ভাবিয়েই পোৱা নাই । সেইবাবে আপোনাক লগপোৱা প্ৰথম দিনটোৰ পৰাই লিখিছোঁ । আপোনাক লগ পোৱা আজি চাৰিটা বছৰেই হ'ল । কিন্তু আপোনাক মাত লগাবৰ বাবে এদিনো সাহসেই নহ'ল । প্ৰত্যেক দিনাই আপোনাক মাত লগাব বুলি আধা বাটৰ পৰা ঘূৰি আহোঁ । আপুনি মাত নিদিব বুলি । এনেকৈয়ে মাত দিম বুলি থাকোঁতে থাকোঁতে কালিলৈ আপোনাৰ যোৱাৰ সময়ে আহি পালে । মাত লগোৱা আশাটো আশা হৈয়ে থাকি গ'ল । আপোনাৰ মনত আছে নে নাই নাজানো কিন্তু মোৰ এতিয়াও মনত আছে, মোৰ কলেজৰ প্ৰথম

দিনটোতেই আপুনি আৰু আপোনাৰ লগৰ কেইজনে মোক আপোনালোকৰ ওচৰলৈ মাতি মোৰ পৰিচয়টো আতি-গুৰি মাৰি ক'ব দিছিল। সেইদিনা এনেদৰে হঠাৎ মোক প্ৰশ্ন কৰাৰ বাবে মই ভয়তে একো কথয়েই নোৱাৰিলোঁ। তথাপিও আপুনি এটা হাঁহি মাৰি ভয় নকৰিবা আমি তোমাক কেৱল তোমাৰ পৰিচয় হে সুধিছোঁ বুলি কোৱাত মোৰ বৰ লাজ লাগিল আৰু মই আপোনালোকৰ আগত এটা হাঁহি মাৰি লৰালৰিকৈ গুচি আহিলোঁ যদিও আপোনাৰ বেৰিয়া থকা দাঁতৰ হাঁহিতো বাৰে বাৰে মোৰ মনলৈ আহি আছিল। কিবা আপোনাৰ প্ৰতি মোৰ বেলেগ অনুভৱ এটা জাগি উঠিছিল।

সেই প্ৰথম দিনৰ অনুভৱটোৰ বাবে লাহে লাহে আপোনাৰ এটা হাঁহি চাবৰ বাবেই কোনো দিনাই ক্লাচ বন্ধ নকৰা ছোৱালীজনীয়ে আপোনাৰ হাঁহিটো চোৱাৰ আশাৰেই ক্লাচসমূহ এটা দুটাকৈ বন্ধ কৰি দিছোঁ। এনেদৰে চাওঁতে চাওঁতে লাহে লাহে প্ৰথম দিনাৰ অনুভৱটো ভালপোৱালৈ পৰিণত হ'বলৈ আৰম্ভ কৰিলে। আপুনি এইবোৰ কথাৰ একো উমান নোপোৱাকৈয়ে আপোনাক একো কথা নজনাকৈয়ে আপোনাক গভীৰভাৱে ভাল পাবলৈ ধৰিলোঁ। প্ৰতিটো দিন আপোনাক এবাৰ দেখাটোৱে মোৰ বাবে এটা আশা হৈ থাকে। এনেতে আপোনাক মনৰ কথা প্ৰকাশ কৰিব যাওঁতে হঠাৎ আপোনাক এজনী ছোৱালীৰ হাতত ধৰি হাঁহি হাঁহি ক্লাচলৈ যোৱা দেখিলোঁ তাৰ পিছত লগৰ এজনীক আপোনাৰ কথা সুধাত গম পালোঁ যে, সেইগৰাকী আপোনাৰ প্ৰেয়সী। আপুনি আৰু সেই ছোৱালীজনী বহুত সম্পৰ্কত আছে। সেইদিনা আগৰেই পৰা এটা

মোৰ এনেকুৱা অনুভৱ হৈছিল যে চকুৰ সন্মুখত সেই ৰচা সকলো সপোন চুৰ-মাৰ হৈ পৰিল। কলেজত নিজকে বহুত ধৈৰ্য্যৰে ৰাখি হোষ্টেলৰ কোঠাত নিজকে বন্ধ কৰি কেৱল উচুপিবলৈ ধৰিলোঁ। নিজক কেনেদৰে বুজাও একো ভাবিয়েই পোৱা নাছিলোঁ। কেনেকৈ কি হৈ পৰিল সেই একো উমানেই নাপালোঁ। কাকো কথও পৰা নাছিলো। কেনেকৈ কওঁ মনৰ কথাবোৰ। অকল এটাই অনুভৱ আছি এখন ভঙা দাপোনৰ দৰে মোক সকলো অনুভৱ ভাঙি পৰিল। কেইবাদিনো এনেকৈয়ে হোষ্টেলৰ কোঠাতেই পাৰ কৰিলোঁ। তাৰ পিছত নিজকেই আইনাৰ আগত ৰাখি বুজাবলৈ ধৰিলোঁ যে, এইটো ভালপোৱা নহয় এইটো মাথো তেওঁৰ প্ৰতি থকা আকৰ্ষণহে। ভালপোৱা জানো ইমান সহজে হ'ব পাৰে? নাই কেতিয়াও নোৱাৰে। তেওঁৰ প্ৰতি যি আছিল সেইয়া মোৰ ভাল লগাহে যি ভাল পোৱাতকৈ বহুতেই পৃথক। এনেদৰে প্ৰায় প্ৰতিটো দিনেই নিজকে বুজাই শেষত বুজিব পাৰিলোঁ যে, ভালপোৱাত প্ৰাপ্তি থাকে যিটো ভাল লগাত নাথাকে। ভাল লগা সকলোবোৰ সদায় আঁতৰৰ পৰায়েই চাব লাগে সেইবোৰক যদি জোৰ কৰি নিজৰ কৰিলে হয়তো সেই ভাল লগা বস্তুখিনিয়েই শেষত এপাত ভাঙৰ অস্ত্ৰ হৈ আঘাত কৰিব। উদাহৰণস্বৰূপে, যিদৰে গোলাপ ফুল এপাহ দেখিবলৈ বহুত ধুনীয়া যাক ফুলৰ ৰাণী বুলি কোৱা হয়। কিন্তু এই ফুলৰ ৰাণী জনীক ছিঙিব যাওঁতে বহুত কাঁইটৰ খোঁচ সাবলগীয়া হয়। তাতকৈ এই ৰাণী জনীক যেনেদৰে আছে তেনেদৰে আঁতৰৰ পৰা চালে হয়তো সেই কাঁইটৰ বাবে আঘাত নাপায়। ঠিক সেইদৰে আপোনাক জোৰ কৰি নিজৰ কৰা আপোনাৰ প্ৰতি থকা সকলোবোৰ চেষ্টা কৰাতকৈ

অনুভৱৰ এক পাক্ষ কৰি আপোনাৰ সেই ধুনীয়া হাঁহিটোৰ বাবে হৃদয়ৰ এটা কোণত সদায়েই আপোনাৰ বাবে খালী কৰি ৰাখিম । যাৰ উমান কেতিয়াও কোনেও নোপোৱাকৈ চিৰদিনৰ বাবে । এনেকৈয়ে আপোনাৰ প্ৰতি থকা মোৰ অনুভৱখিনি সযতনে ৰাখি আপোনাৰ স্মৃতিবোৰ এই চিঠিখনতেই সামৰি নতুনকৈ জীৱনৰ পাতনি মেলিবলৈ চেষ্টা কৰিম । এনেদৰে আপোনাৰ আৰু মোৰ এই যাত্ৰা ইমানতেই সামৰণি মাৰিছোঁ ।

আপোনাক চাগে এইখিনি কথা কোনো দিনেই কোৱা নহ'বয়েই । এনেকুৱা লাগিছে যেন হয়টো কেতিয়াও এইখন চিঠি আপোনাৰ হাতত দিবয়ে নোৱাৰিম । যদি আপোনাৰ হাতত দিব পাৰোঁ তেন্তে বৰ আশাৰে ৰৈ থাকিম আপোনাৰ প্ৰত্যুত্তৰৰ বাবে আৰু এইটো যদি সম্ভৱ নহয় তেন্তে এখন নাওঁ আকাৰত উটুৱাই দিব নদীৰ কোৱাল সোঁতত ।

ইতি
আপোনাৰ ....

— নীলাক্ষী বৰুৱা
দ্বিতীয় ষাণ্মাসিক



# অনুভৱৰ একলম

# অনুভৱৰ এক পৃষ্ঠা

প্ৰতিজন শিক্ষাৰ্থীৰ জীৱনত তেওঁৰ মহাবিদ্যালয়খন কেৱল এটা শিক্ষানুষ্ঠান হৈ নাথাকে, ই হৈ পৰে আৱেগ আৰু সপোনৰ এক সুকীয়া পৃথিৱী। মোৰ বাবেও দুলীয়াজান মহাবিদ্যালয় তেনেকুৱাই এক অনুষ্ঠান। যিদিনা মই প্ৰথমবাৰৰ বাবে এই মহাবিদ্যালয়ত প্ৰৱেশদ্বাৰেৰে সোমাইছিলোঁ, সেইদিনা মোৰ মনত যিমান শংকা আছিল, তাতকৈ বেছি আছিল এক নতুন জগতক জনাৰ কৌতুহল। আমাৰ মহাবিদ্যালয়ৰ প্ৰতিগৰাকী অধ্যাপক - অধ্যাপিকাৰ ছাত্ৰ - ছাত্ৰীৰ প্ৰতি থকা মৰমে মোক সদায় মুগ্ধ কৰে। যিকোনো কঠিন বিষয় সহজকৈ বুজাই দিয়াৰ লগতে জীৱনৰ সংগ্ৰামৰ বাবেও তেওঁলোকে আমাক অনুপ্ৰাণিত কৰে। শান্ত পৰিৱেশটোৱে যেন আমাক সদায় কয় —"ইয়াত কেৱল পঢ়া-শুনাই নহয়, এগৰাকী প্ৰকৃত মানুহ হোৱাৰ শিক্ষা লʼবলৈ আহিছা।" আমাৰ মহাবিদ্যালয়খন ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত কলা, বিজ্ঞান আৰু বাণিজ্য — এই তিনিওটা শাখাৰে পূৰ্ণাংগ অনুষ্ঠান। ডিব্ৰুগড় জিলাৰ এই তৈল নগৰীৰ এক মননসমৃদ্ধ আমাৰ ব্যস্ততাৰ মাজত শান্তিৰ ১৯৬২ চনৰ পৰাই জ্ঞানৰ এই মহাবিদ্যালয়খনে পোহৰ বিলাই আহিছে।

শ্ৰেণীকোঠাৰ চাৰিবেৰৰ মাজতে কেৱল নহয়। দুলীয়াজান মহাবিদ্যালয়ৰ আমাৰ শিক্ষা আৱদ্ধ

বিশাল গ্ৰন্থাগাৰৰ সেই কিতাপৰ সুবাস, এন.চি.চি.ৰ সেই অনুশাসন আৰু ক্ৰীড়া-সাংস্কৃতিক সপ্তাহৰ সেই উমল-মামল পৰিৱেশ লগতে এই মহাবিদ্যালয়ত ২০২৬ বৰ্ষৰ জানুৱাৰী মাহৰ ২৮ তাৰিখৰ পৰা ৩১ তাৰিখলৈ চাৰিদিনীয়া কাৰ্যসূচীৰে যুৱ মহোৎসৱ পালন কৰা হয়। এই যুৱ মহোৎসৱত ৭৫ খন মহাবিদ্যালয়ে অংশগ্ৰহণ কৰিছিল। এই সকলোবোৰ মিলিহে আমাৰ দুলীয়াজান মহাবিদ্যালয়। আমাৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ মৰম আৰু সঠিক দিশ-নিৰ্দেশনাই আমাক প্ৰতিটো খোজতে সাহস দিয়ে।

অইল ইণ্ডিয়া লিমিটেডৰ দৰে দেশৰ এক অগ্ৰণী উদ্যোগৰ সান্নিধ্যত থকাৰ বাবে আমাৰ কলেজে এক সুকীয়া মৰ্যদা লাভ কৰিছে। আমাৰ আগৰ বহুতো ককাইদেউ-বাইদেউ আজি দেশ-বিদেশত, চহৰ-নগৰত প্ৰতিষ্ঠিত হৈ কলেজৰ নাম উজ্জ্বলাই তুলিছে। সেইসকলক আদৰ্শ হিচাপে লৈয়েই আমি আগুৱাই যাব বিচাৰোঁ। দুলীয়াজান মহাবিদ্যালয়লৈ অহাৰ পিছত মোৰ আত্মবিশ্বাস বহুত বাঢ়িছে।

আজি মই এই মহাবিদ্যালয়ৰ এজনী ছাত্ৰী হিচাপে গৌৰৱ অনুভৱ কৰোঁ। দুলীয়াজান মহাবিদ্যালয় কেৱল শিক্ষা গ্ৰহণৰ স্থান নহয়, ই আমাৰ ব্যক্তিত্ব গঢ়াৰ এক কৰ্মশালা। মই আশা কৰোঁ, আমাৰ এই প্ৰিয় মহাবিদ্যালয়খনে ভৱিষ্যতেও এনেদৰেই জ্ঞানৰ পোহৰ বিলাই আমাৰ অঞ্চলটোক গৌৰৱান্বিত কৰি থাকিব।

— নৱনীতা গগৈ
দ্বিতীয় ষাণ্মাসিক

# ধন্যবাদ

